NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-03-2024
**Time :** 1910 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বিজেপি নেতৃত্বাধীন চৰকাৰখনে উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত বিকাশৰ বাবে এটা ঔদ্যোগিক তন্ত্ৰ বিকশাই তুলিছে আৰু অঞ্চলটোৰ বাবে ভালেমান সাহসী উদ্যম গ্ৰহণ কৰিছে।

২। যোৰহাটৰ মেলেং মেটেলী পথাৰৰ পৰা প্ৰধানমন্ত্ৰীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে ১৭ হাজাৰ ৫০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। শ্ৰী মোদীয়ে আজি শিলিগুড়িত বিকশিত ভাৰত, বিকশিত পশ্চিমবংগ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ ৰে'লৱে আৰু পথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৪। জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে সমগ্ৰ দেশত জল ব্যৱস্থাপনা আৰু জল সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে মহিলাসকলক ভূয়সী প্ৰশংসা কৰিছে।

*আৰু*

৫। ভাৰতে আজি ধৰমশালাত অনুষ্ঠিত পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ইংলেণ্ডক এক ইনিংছ আৰু ৬৪ ৰানত পৰাস্ত কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে বিজেপি নেতৃত্বাধীন চৰকাৰখনে উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত বিকাশৰ বাবে এটা ঔদ্যোগিক তন্ত্ৰ বিকশাই তুলিছে আৰু অঞ্চলটোৰ বাবে ভালেমান সাহসী উদ্যম গ্ৰহণ কৰিছে। যোৰহাটৰ হোলোঙা পথাৰত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ৮৪ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ পাছত মেলেং মেটেলী পথাৰত এখন ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে দেশৰ বাকী অংশৰ উন্নয়নৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অত্যন্ত জৰুৰী। বিজেপি চৰকাৰে সমাজৰ দুখীয়া শ্ৰেণীৰ কথাহে অনুধাৱন কৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে প্ৰধানমন্ত্ৰী গ্ৰাম্য আবাস যোজনাৰ অধীনত ৰাজ্যখনত নিৰ্মাণ কৰা চাৰে ৫ লাখৰো অধিক বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানত অংশীদাৰ হ'বলৈ পাই তেওঁ নথৈ আনন্দিত হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত অঞ্চলৰ মনোমোহা সৌন্দৰ্য, প্ৰাকৃতিক দৃশ্য আৰু জৈৱ বিবিধতা দেখি তেওঁ আশ্চৰ্যচকিত হৈ পৰিছে। তেওঁ লগতে এই মনোমোহা সৌন্দৰ্য উপভোগ কৰাৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কাজিৰঙাক পক্ষীপ্ৰেমীসকলৰ স্বৰ্গ বুলিও তেওঁ অভিহিত কৰে। অঞ্চলটোক অৱহেলা কৰাৰ বাবে পূৰ্বৰ চৰকাৰসমূহক সমালোচনা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত ১০ বছৰত তেওঁৰ চৰকাৰে প্ৰতিটো ক্ষেত্ৰত অঞ্চলটোৰ বাবে কাম কৰি আহিছে। অসম উত্তৰ-পূৰ্বাঞ্চলৰ বাবে স্বাস্থ্য সেৱাৰ কেন্দ্ৰত পৰিণত হ'ব বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

অসম ভ্ৰমণৰ দ্বিতীয় দিনা প্ৰধানমন্ত্ৰীয়ে আজি যোৰহাটৰ মেলেং মেটেলী পথাৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে ১৭ হাজাৰ ৫০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰী মোদীয়ে উদ্বোধন কৰা প্ৰকল্পসমূহৰ ভিতৰত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ এটা শিশু

পৰিচৰ্যা গোট, বাৰাউনীৰ পৰা গুৱাহাটীলৈ প্ৰাকৃতিক গেছ পাইপ লাইন আৰু অইল ইণ্ডিয়া লিমিটেডৰ দুটা ক্ৰুড অইল পাম্পিং ষ্টেচন আছে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে শিৱসাগৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু ভাৰতীয় তেল নিগম লিমিটেডৰ গুৱাহাটীৰ বেতকুছি কেন্দ্ৰসহ ডিগবৈ শোধনাগাৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে ধূপধৰাৰ পৰা ছয়গাঁও আৰু নিউ বঙাইগাঁৱৰ পৰা সৰভোগলৈ দ্বৈত ৰে'লপথছোৱা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। ইয়াৰ উপৰি শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰি উলিওৱা চাৰে ৫ লাখৰো অধিক বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে ভাগ লয়।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ অসম আৰক্ষী অতিথি গৃহত নিশাটো কটোৱা প্ৰধানমন্ত্ৰীয়ে পুৱাৰ ভাগত ৰাষ্ট্ৰীয় উদ্যানখনত জীপ আৰু হাতী চাফাৰী কৰে। তাৰপাছত 'বিকশিত ভাৰত, বিকশিত উত্তৰ-পূৰ্বাঞ্চল' কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী অৰুণাচল প্ৰদেশলৈ বুলি ৰাওনা হয়।

0000000

প্ৰধানমন্ত্ৰীয়ে আজি শিলিগুড়িত বিকশিত ভাৰত, বিকশিত পশ্চিমবংগ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ ৰে'লৱে আৰু পথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে শিলিগুড়িৰ কাৱাখলি ময়দানত এখন ৰাজহুৱা সভা সম্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে পশ্চিমবংগত এম জি এনৰেগা আঁচনিৰ অধীনত ২৫ লাখ ভুৱা জবকাৰ্ড জাৰি কৰা হৈছে। শ্ৰী মোদীয়ে কয় যে তেওঁৰ চৰকাৰ দুখীয়া জনসাধাৰণৰ উন্নয়নৰ প্ৰতি বদ্ধপৰিকৰ। তেওঁ লগতে সন্দেশখালিৰ ঘটনাক লৈ ৰাজ্যখনৰ শাসনাধিষ্ঠিত তৃণমূল কংগ্ৰেছ চৰকাৰক তীব্ৰ সমালোচনা কৰে।

0000000

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত আজিৰে পৰা ৰেডিঅ' বিষয়ক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। প্ৰথমবাৰলৈ আৰম্ভ কৰা এই ছমহীয়া পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকলক ৰেডিঅ' সম্পৰ্কীয় ব্যৱহাৰিক পাঠদান কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক শব্দৰ শুদ্ধ উচ্চাৰণ, শ্ৰোতাক আকৰ্ষণ কৰিব পৰাকৈ কথনশৈলী, অনুষ্ঠান উপস্থাপন আদিকে ধৰি আনুষংগিক বিষয়সমূহৰ ওপৰত প্ৰশিক্ষণ দিয়া হ'ব। পাঠ্যক্ৰমৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ অক্ষয় কুমাৰ মিশ্ৰ, আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান শাখাৰ মুৰব্বী কাৰ্তিক সূত্ৰধাৰ, অনুষ্ঠান কাৰ্যবাহী চন্দ্ৰিমা শৰ্মাকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনৰ এটা নিজা এফ এম ষ্টেচনো আছে।

0000000

জলশক্তি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে সমগ্ৰ দেশত জল ব্যৱস্থাপনা আৰু জল সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে মহিলাসকলক ভূয়সী প্ৰশংসা কৰিছে। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত আজি ৰাষ্ট্ৰজোৰা জলশক্তি অভিযানঃ বৰষুণৰ পানী সংৰক্ষণ, ২০২৪ মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰশংসা কৰে। তেওঁ কয় যে দেশৰ প্ৰায় ১ কোটি মহিলাই এইক্ষেত্ৰত ইতিবাচক পৰিৱৰ্তন অনাৰ দায়িত্ব গ্ৰহণ কৰিছে। ইয়াৰ বাবে প্ৰধানমন্ত্ৰীয়ে জলশক্তি অভিযানক দেশৰ মহিলা শক্তিৰ নামত উৎসৰ্গা কৰাৰ সিদ্ধান্ত লৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে এটা দশক পূৰ্বে বিশ্বৰ দুৰ্বল অৰ্থ ব্যৱস্থাসমূহৰ অন্যতম বুলি গণ্য কৰা ভাৰত সম্প্ৰতি বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশ ৰূপে পৰিগণিত হৈছে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে জলশক্তি অভিযানঃ ২০১৯ ৰ পৰা ২০২৩ আৰু "101 Water Champions of Jal Jeevan Mission". নামত দুখন গ্ৰন্থ উন্মোচন কৰে।

0000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আৰ জে ডি আৰু কংগ্ৰেছ অনগ্ৰসৰ শ্ৰেণীৰ বিৰোধী বুলি অভিযোগ কৰিছে। বিহাৰৰ পাটনাৰ পালিগঞ্জত আজি এখন জনসভাত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে অভিযোগ তোলে। অকল বিজেপিহে অনগ্ৰসৰ আৰু দুখীয়া শ্ৰেণীৰ কল্যাণৰ হকে কাম কৰিব পাৰে বুলি শ্ৰী শ্বাহে দাবী কৰে। তেওঁ

কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি এই কথা ইতিমধ্যে প্ৰমাণ কৰিছে। শ্ৰী শ্বাহে কয় যে কংগ্ৰেছ আৰু আৰ জে দি দুয়োটা দল পৰিয়ালকেন্দ্ৰিক আৰু তেওঁলোকে কেতিয়াও দুখীয়া তথা অনগ্ৰসৰ শ্ৰেণীৰ হকে কাম নকৰে। কংগ্ৰেছৰ ছোনিয়া গান্ধীয়ে ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰিব বিচাৰে আৰু লালু প্ৰসাদ যাদৱে তেওঁৰ পুত্ৰ মুখ্যমন্ত্ৰী হোৱাটো বিচাৰে বুলি বিজেপি নেতাগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে জননায়ক কৰ্পুৰী ঠাকুৰক ভাৰতৰত্নৰে সন্মানিত কৰি বিজেপিয়ে বিহাৰৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিলে। তেওঁ লগতে কয় যে কংগ্ৰেছ আৰু বিজেপিয়ে অনগ্ৰসৰ শ্ৰেণীৰ নামত অকল ৰাজনীতি কৰি আছে কিন্তু দল দুটাই কেতিয়াও প্ৰকৃতাৰ্থত তেওঁলোকৰ কল্যাণৰ হকে কাম কৰা নাই।

0000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

00000

বিজেপিয়ে ঝাৰখণ্ডৰ পৰা ৰাজ্যসভা নিৰ্বাচনৰ বাবে দলীয় প্ৰাৰ্থী হিচাপে ড° প্ৰদীপ ভাৰ্মাৰ নামটো ঘোষণা কৰিছে। বিজেপিয়ে লগতে উত্তৰ প্ৰদেশ আৰু বিহাৰৰ এম এল চি নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকাও ঘোষণা কৰিছে।

আসন্ন এম এল চি নিৰ্বাচনৰ বাবে দলটোৱে বিহাৰৰ তিনিজন আৰু উত্তৰ প্ৰদেশৰ ৭ জনৰ নাম ঘোষণা কৰিছে। বিহাৰত বিজেপিয়ে মংগল পাণ্ডে, লাল মোহন গুপ্তা আৰু অনামিকা সিঙৰ নাম ঘোষণা কৰিছে। উত্তৰ প্ৰদেশত পাৰ্টীয়ে বিজয় বাহাদুৰ পাঠক, মহেন্দ্ৰ কুমাৰ সিং, ৰামতিৰখ সিংঘাল আৰু সন্তোষ সিঙৰ নাম ঘোষণা কৰিছে।

0000000

ভাৰতে আজি ধৰমশালাত অনুষ্ঠিত পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ইংলেণ্ডক এক ইনিংছ আৰু ৬৪ ৰানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে ৪-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। ইংলেণ্ডৰ দ্বিতীয় ইনিংছ আজি সম্পূৰ্ণৰূপে ধৰাশায়ী হয় আৰু ১৯৫ ৰানতে আটাইকেইটা উইকেট আউট হয়। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে ৫টা উইকেট দখল কৰাৰ বিপৰীতে যশপ্ৰীত বুমৰাহ আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট লাভ কৰে।

0000000

সমাপ্ত